# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

ৰাজ্যৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱিত কৰি তোলাৰ লক্ষ্যৰে অসম মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবে অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ হিতাধিকাৰীৰ মাজত বিতৰণৰ বাবে অনুমোদন জনায়। অসমত ব্যক্তিগতখণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে মন্ত্ৰীসভাই আই আই পি এ অধীনত দুটাকৈ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি ড০ বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত এহেজাৰ ৩১৩ গৰাকী অংশকালীন আই চি টি শিক্ষকৰ মাহিলী মাননী অহা অক্টোবৰৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধিৰ অনুমোদন জনায়। মন্ত্ৰীসভাই তেওঁলোকক ৬০ বছৰ বয়সলৈ সেৱা প্ৰদানৰ নিশ্চয়তা দিয়ে। ইয়াৰ ফলত তেওঁলোক মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনীৰ বাবে যোগ্য বিবেচিত হ'ব।

০০০০০

অপাৰেচন সিন্দুৰৰ সফলতা উদযাপন কৰি বিজেপিয়ে আয়োজন কৰা ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে। পশ্চিম কাৰ্বি আংলং জিলাত আজি জিলা বিজেপিৰ সভাপতি  ৰদীপ ৰংহাঙৰ নেতৃত্বত জিলা সদৰ হামৰেন ছয়আলিৰ পৰা নতুন বজাৰলৈ ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰভাত চন্দ্ৰ তাৰোৰ নেতৃত্বত ভকচঙত বিশাল ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়।

ডিব্ৰুগড় জিলাত আজি প্ৰবল বৰষুণকো নেওচি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত সহস্ৰাধিক লোকে ত্ৰিৰংগ যাত্ৰাত ভাগ লয়। চৌকিদিঙি খেলপথাৰৰ পৰা উলিওৱা এই যাত্ৰাৰ আৰম্ভণিতে শ্ৰী সোণোৱালে সেনা বাহিনীৰ পৰাক্ৰম আৰু শৌৰ্যৰ  প্ৰতি সন্মান জনাই দেশজুৰি ত্ৰিৰংগ যাত্ৰা ৰূপায়ণ কৰাৰ কথা উল্লেখ কৰে। এই বিজয়ৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ সৱল নেতৃত্ব আৰু সেনা বাহিনীৰ বীৰত্বৰ শলাগ লয়।

এই যাত্ৰাত মন্ত্ৰী বিমল বৰা, লাহৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি দলৰ কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

জিলাখনৰ চাবুৱাৰ বিন্ধাকতাতো আজি ত্ৰিৰংগ যাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশপ্ৰেমমূলক গীত আৰু ধ্বনিৰে দেশমাতৃৰ বন্দনা কৰে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাতশিঙিমাৰীত উলিওৱা ত্ৰিৰংগ যাত্ৰাত জিলা বিজেপিৰ সভাপতি ৰঞ্জীত কুমাৰ সাহাকে ধৰি অন্যান্য কাৰ্যকৰ্তাসকলে ভাগ লয়।

০০০০০০

বিশিষ্ট কণ্ঠশিল্পী গায়ত্ৰী হাজৰিকাৰ আজি আবেলি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৩ বছৰ। সৰা পাতে পাতে ফাগুন নামে, জোনাক নাছিল বনত, মন মোৰ উৰি ফুৰে, যেতিয়া জোনাক নামিছিল, মাথো এজাক বৰষুণ আদিকে ধৰি বহুকেইটা জনপ্ৰিয় গীতেৰে জনসাধাৰণক মোহাবিষ্ট কৰা গায়ত্ৰী হাজৰিকাই ২০২১ চনত ৰত্নাকৰ বোলছবিৰ **ৰাতি ৰাতি** শীৰ্ষক গীতটোৰ বাবে শ্ৰেষ্ঠ কণ্ঠ শিল্পীৰ প্ৰাগ চিনে এৱাৰ্ড লাভ কৰিছিল। তেওঁ বৈদেহি, ৰ'দালি, দামিনি, পৰিনিতা, আপ্লনা আদি অসমীয়া চিৰিয়েলৰ শীৰ্ষ গীততো কণ্ঠদান কৰিছিল। যোৱা বছৰ মুক্তি পোৱা অসমীয়া ছবি **সুন্দৰপুৰ কেঅছ**ৰো তেওঁ অন্যতম প্ৰযোজক আছিল। গুৱাহাটীৰ তাৰিণি চৌধুৰী ছোৱালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰা গায়ত্ৰী হাজৰিকাই কলিকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা সংগীতত স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠৰ পৰা সংগীতৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৯২ চনতে আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত শিশু শিল্পী হিচাপে গীত পৰিৱেশন কৰা গায়ত্ৰী হাজৰিকা আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী আছিল। শিল্পীগৰাকীৰ নশ্বৰ দেহ গীতানগৰ বিহুতলিলৈ অনা হৈছে আৰু ইয়াত সাংস্কৃতিক জগতৰ ভালেসংখ্যক কৰ্মী আৰু গুণমুগ্ধই তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি বিভিন্নজনে শিল্পীগৰাকীৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰিছে। আজি সন্ধিয়া নৱগ্ৰহ শ্মশানত শিল্পীগৰাকীৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব। গায়ত্ৰী হাজৰিকাৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পৰিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ লাহুৱাল চাংমাই গাঁৱৰ নিবাসী অসম আন্দোলনৰ নেতা তথা বেলবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসপ্ৰাপ্ত শিক্ষক কিৰণ গগৈৰ আজি নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৯ বছৰ। সমাজকৰ্মীগৰাকীৰ মৃত্যুত চাবুৱাৰ বিধায়ক, সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। প্ৰয়াত গগৈৰ পৈতৃক গৃহ নাহৰসাঁকোত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত মায়ামৰা ধৰ্মীয় ৰীতিৰে তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হয়।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ